**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-06-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

―――――――――――――

শিৱসাগৰৰ ভটিয়াপাৰৰ গেছ্‌ নিৰ্গমন হোৱা তৈলখাদটো নিয়ন্ত্ৰণত অগ্ৰগতি লাভ কৰা গৈছে। অ' এন জি চিয়ে এটা প্ৰেছ্‌ বিজ্ঞপ্তিত এই কথা উল্লেখ কৰি কয় যে বিশেষজ্ঞ দলৰ সহযোগত অ' অন জি চিয়ে দিনে নিশাই গেছ্‌ নিৰ্গমন ৰোধৰ বাবে প্ৰচেষ্টা চলাই আছে।

ইতিমধ্যে, গেছ্‌ নিৰ্গমনৰ চাপ ৫০ শতাংশলৈ হ্ৰাস হৈছে বুলি কালি বিয়লি ঘটনাস্থলী পৰিদৰ্শন কৰি মন্ত্ৰী যোগেন মহনে প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীৰ লগতে বিজেপিৰ এটা সজাতি দলে অঞ্চলটো পৰিদৰ্শন কৰি স্থানীয় ৰাইজৰ সৈতে মত বিনিময় কৰে। খাদটোৰ গেছ্‌ নিৰ্গমন বন্ধ হোৱা নাই যদিও অঞ্চলটোৰ ৰাইজক সম্প্ৰতি ঘৰুৱা চৌকাত ৰন্ধন কাৰ্যৰ বাবে জুই জ্বলাবলৈ সেউজ সংকেত দিয়া হৈছে।

০০০০০০

ধেমাজি বিধানসভা সমষ্টিৰ অন্তৰ্গত বৰদলনি উন্নয়ন খণ্ড আৰু ধেমাজি উন্নয়ন খণ্ডৰ ১১ খন গাঁও পঞ্চায়ত কালি গঠন কৰা হয়। নৱনিৰ্বাচিত পঞ্চায়ত সভাপতিসকলে কালি আনুষ্ঠানিকভাৱে শপত গ্ৰহণ কৰে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সমষ্টিটোৰ নতুনকৈ গঠন হোৱা পঞ্চায়তসমূহৰ প্ৰতিনিধিসমূহক শুভেচ্ছা জনোৱাৰ লগতে জনকল্যাণ আৰু উন্নয়নৰ হকে ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনাইছে। উল্লেখযোগ্য যে দুদিন ধৰি চলিবলগীয়া পঞ্চায়ত গঠন প্ৰক্ৰিয়াত ধেমাজি জিলাৰ আটাইকেইখন পঞ্চায়ত গঠন কৰা হ'ব।

০০০০০০

ডিব্ৰুগড় জিলাৰ নাহৰকটিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ১৫ খন গাঁও পঞ্চায়তক কালি স্বচ্ছ ভাৰত অভিযানৰ অধীনত একোখনকৈ বেটেৰীচালিত জাৱৰ পৰিবাহী ৩ চকীয়া বাহন প্ৰদান কৰা হয়। বিধায়ক তৰংগ গগৈয়ে এই বাহনসমূহ বিতৰণ কৰি কয়, যে পঞ্চায়তসমূহৰ পৰা পেলনীয়া জাৱৰ সংগ্ৰহ কৰি এই এলেকাসমূহক প্ৰদূষণমুক্ত কৰাৰ উপৰি ইয়াৰ জৰিয়তে কৰ্মসংস্থাপনৰ সুযোগ দিয়াৰ উদ্দেশ্যে এই পদক্ষেপ লোৱা হৈছে। বিধায়কগৰাকীয়ে নাহৰকটীয়া উন্নয়ন খণ্ড কাৰ্যালয় প্ৰাঙ্গনত চাচনি-বুঢ়িদিহিং অসমীয়া মহিলা কৃষক উৎপাদন কোম্পানী এটাৰ কাৰ্যালয়ো উদ্বোধন কৰে।

০০০০০০

জনজাতীয় গৌৰৱ বৰ্ষৰ অংশ হিচাপে লখিমপুৰ জিলাৰ চাবতি গাঁও পঞ্চায়ত, বগীনদী গাঁও পঞ্চায়ত আৰু মইনাপৰা অঞ্চলত কালি সজাগতা আৰু নামভৰ্তি শিবিৰ অনুষ্ঠিত কৰা হয়। এই শিবিৰত স্বাস্থ্য, সমাজকল্যাণ, কৃষি, বন আদি বিভাগৰ লগতে বিত্তীয় প্ৰতিষ্ঠানসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। উপভোক্তাসকলৰ বাবে আধাৰ নামভৰ্তি শিবিৰো আয়োজন কৰা হয়। এই শিবিৰত জনজাতীয় চহকী কৃষ্টি-সংস্কৃতি আদিৰো প্ৰদৰ্শন কৰা হয়।

০০০০০০

ধেমাজিৰ বৰদলনি কৃষি উন্নয়ন চক্ৰত কালি তৈল খেজুৰ ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা আয়ুক্ত ৰাহুল সুৰেশ জাভিৰে অঞ্চলটোৰ এক হেক্টৰ মাটিত তৈল খেজুৰ ৰোপণ কৰিবলৈ লোৱা কাৰ্যসূচী আৰম্ভ কৰে।

০০০০০০

গুৱাহাটীৰ নীলাচল পাহাৰত অৱস্থিত শক্তিপীঠ কামাখ্যা মন্দিৰত অম্বুবাচী মহাযোগৰ আজি তৃতীয় দিনাও উখল-মাখল পৰিৱেশ অব্যাহত আছে। পুৱাৰে পৰা সাধু-সন্ন্যাসী আৰু ভালে সংখ্যক লোকৰ শক্তিপীঠ কামাখ্যালৈ আগমন ঘটিছে। ইয়াৰোপৰি দুদিন পূৰ্বে কামাখ্যা ধামত উপস্থিত হোৱা দেশী-বিদেশী হাজাৰ বিজাৰ ভক্তৰ উপস্থিতিত মন্দিৰস্থলীত আধ্যাত্মিক পৰিৱেশে বিৰাজ কৰিছে।

অম্বুবাচী মহাযোগ সুচাৰুৰূপে অনুষ্ঠিত কৰাৰ বাবে কামৰূপ মহানগৰ জিলা প্ৰশাসন, আৰক্ষী আৰু কামাখ্যা মন্দিৰ কৰ্তৃপক্ষই সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে কালি গুৱাহাটীৰ কামাখ্যা ষ্টেচনত উপস্থিত হৈ অম্বুবাচী মহাযোগলৈ অহা বিভিন্ন ঠাইৰ ভক্তসকলক অসমবাসীৰ হৈ আদৰণি জনায়। উল্লেখযোগ্য ৰাজ্য চৰকাৰে পৰ্যটন বিভাগে **প্ৰণাম** নামেৰে কামাখ্যা ৰে'ল ষ্টেচন, পাণ্ডু বন্দৰ, ভূতনাথ, নামনি কামাখ্যা আৰু আদাবাৰীত পাঁচটা আদৰণি কক্ষ স্থাপন কৰি ভক্তসকলক আদৰণি জনোৱাৰ ব্যৱস্থা কৰিছে। গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্ত আৰু কামৰূপ মহানগৰ জিলাৰ উপায়ুক্তকে ধৰি আৰক্ষী-প্ৰশাসনৰ শীৰ্ষ বিষয়াসকলে মন্দিৰৰ চৌহদত বাহৰ পাতি পৰিস্থিতি তদাৰক কৰি আছে। বাহিৰৰ পৰা অহা ভক্তসকলৰ বাবে পাণ্ডু নদী বন্দৰ আৰু কামাখ্যা ৰে'ল ষ্টেচনত দুটা শিবিৰ স্থাপন কৰা হৈছে। আৰক্ষী প্ৰশাসনে জাৰি কৰা নিৰ্দেশনা অনুসৰি সন্ধিয়া ৬ বজাৰ পৰা ভক্তসকলে নীলাচল পাহাৰত প্ৰৱেশ কৰিব নোৱাৰিব। ২৬ জুনৰ পুৱা নিবৃত্তিৰ লগে লগে দেৱীস্নান, নিত্য পূজা সমাপনৰ পাছত মন্দিৰৰ মূল দুৱাৰ ভক্তৰ বাবে পুনৰ মুকলি কৰা হ'ব।

০০০০০০

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ অসামৰিক সেৱাৰ পৰীক্ষাৰ প্ৰশিক্ষণৰ বাবে সদৌ অসম ছাত্ৰ সন্থাই অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৪০ গৰাকী ছাত্ৰ-ছাত্ৰীক দিল্লীত প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা সমুজ্জ্বল ভট্টাচাৰ্যই সংবাদ মাধ্যমযোগে কালি এই কথা প্ৰকাশ কৰে। **প্ৰত্যাশা** শীৰ্ষক প্ৰকল্পৰ অধীনত ছাত্ৰ সংগঠনটোৱে চলিত বৰ্ষৰ কেন্দ্ৰীয় লোকসেৱা আয়োগ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ ২৫ গৰাকী পৰীক্ষাৰ্থীলৈ মূল পৰ্যায়ৰ পৰীক্ষাৰ বাবে সহায়-সমৰ্থন আগবঢ়াব। প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষাত সফলতা লাভ কৰা ইচ্ছুক পৰীক্ষাৰ্থীসকলে ছাত্ৰসন্থাৰ ৱেবছাইট WWW.AASU.ORG.IN লৈ গৈ প্ৰপত্ৰ পূৰ কৰি আবেদন কৰিব পাৰিব। অহা ২৯ জুন পৰ্যন্ত আবেদন প্ৰক্ৰিয়া অব্যাহত থাকিব।

০০০০০০

সমাপ্ত